[২০১৩] ৭ এছ. চি. আৰ. ১৭৯

বিৰেন্দ্ৰ দাস আৰু আন এজন

বনাম

অসম চৰকাৰ

(ফৌজদাৰী আপীল নং ১১৩০ / ২০১০)

১ জুলাই, ২০১৩

[ন্যায়াধীশ বি. এছ. চৌহান আৰু দীপক মিশ্ৰ]

*দণ্ড বিধি, ১৮৬০:*

*ধাৰা ৩০২ লগতে ধাৰা ৩৪ -হত্যা- উমৈহতীয়া উদ্দেশ্য- বিচাৰ আদালতসমূহৰ দ্বাৰা অভিযুক্ত কৰা-বিচাৰ কৰা হয়- আপীলকাৰীসকল ল দৰ্শক নাছিল- ঘটনা সংঘটিত হোৱা স্থানত অস্ত্ৰ-শস্ত্ৰৰ সৈতে তেওঁলোকৰ উপস্থিতিৰ পৰা অপৰাধী সংঘটিত হোৱালৈকে আৰু তাৰ পিছত মৃতদেহটো এজন আপীলকাৰী চোতাললৈ টানি নিয়াৰ পৰা তেওঁলোকৰ অভিপ্ৰায় স্পষ্টভাৱে প্ৰতিফলিত হয়-সেয়েহে, ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৪ প্ৰযোজ্য নহয় বুলি কব নোৱাৰি- ঘটনাৰ পৰিস্থিতিৰ পৰা কোনো অভিপ্ৰায় থকা প্ৰতিষ্ঠা কৰাটো গুৰুত্বপূৰ্ণ নহয়- ফৌজদাৰী আইন-অভিপ্ৰায়।*

**এজাহাৰত নাম উল্লেখ কৰা নজন অভিযোগকৰণ ভিতৰত তিনিজনক পলাতক বুলি ঘোষণা কৰা হৈছিল, তিনিজন কিশোৰ আছিল, কিশোৰ আদালত প্ৰেৰণ কৰা হৈছিল আৰু বাকী তিনিজনৰ বিৰুদ্ধে সাক্ষী নং১-ৰ দেউতাকক হত্যা কৰাৰ বাবে গোচৰৰ বিচাৰ চলোৱা হৈছিল। অভিযোগকাৰী পক্ষৰ গোচৰ আছিল যে নজন অভিযোগকাৰীৰ সকলোৱে মৃতকক মাৰাত্মক অস্ত্ৰ-শস্ত্ৰেৰে আক্ৰমণ কৰিছিল যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। তাৰ পিছত তেওঁলোকে তেওঁৰ মৃতদেহ অভিযোগকাৰীৰ চোতাললৈ টানি লৈ গৈছিল। আপীল নং১ৰ আৰু ......... য়ে তেওঁৰ হাত-ভৰি কাটি পেলালে। যেতিয়া গুচৰীয়া পক্ষৰ সাক্ষীনং ২য়ে বাধা দিবলৈ কৰিবলৈ চেষ্টা কৰিছিল, তেতিয়া তেওঁকো আক্ৰমণ কৰা হৈছিল যাৰ ফলত তেওঁৰ বাওঁ হাতৰ আঙুলিত আঘাত পাইছিল। বিচাৰ আদালত দুজন আপীলকাৰীক ভাৰতীয় দণ্ড বিধিৰ ৩০২/৩৪ ধাৰাৰ অধীনত অভিযুক্ত কৰে আৰু তেওঁলোকক আজীৱন সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। উচ্চ ন্যায়ালয়ে তেওঁলোকৰ দোষীসাব্যস্তকৰণ আৰু শাস্তি নিশ্চিত কৰিছিল।**

**এই আপীলত আপীলকাৰীসকলৰ হৈ দাবী কৰা হৈছিল যে ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৪ প্ৰযোজ্য হোৱা নাছিল কাৰণ আপীলকাৰীসকলে কোনো কাৰ্য্য প্ৰকাশ্যভাৱে কৰা বুলি কোৱা হোৱা নাছিল আৰু তেওঁলোকৰ কোনো উমৈহতীয়া উদ্দেশ্য আছিল বুলি দেখুৱাবলৈ**

নথিত কোনো তথ্য নাছিল; আৰু নথিত অভিযোগ কৰা অপৰাধৰ কোনো অভিপ্ৰায় থকা দেখুওৱা হোৱা নাছিল।

আপীল খাৰিজ কৰি আদালতে

বিচাৰ কৰে- ১.১. নিঃসন্দেহে মৃতকৰ মৃত্যু যে এক হত্যাকাণ্ড আছিল সেয়া চিকিৎসা সম্বন্ধীয় সাক্ষ্যই প্ৰমাণ কৰে। মৃতজনৰ পুত্ৰ সাক্ষী ১-য়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে তেওঁৰ দেউতাকক আঘাত কৰা হৈছিল আৰু তেওঁ পৰি গৈছিল। তেওঁ তাত উপস্থিত থকা আপীলকাৰীসকলৰ নাম উল্লেখ কৰিছে। তেওঁৰ সাক্ষ্যত এইটো প্ৰকাশ পাইছে যে যেতিয়া তেওঁ তেওঁৰ দেউতাকৰ ওচৰলৈ যাবলৈ চেষ্টা কৰিছিল, তেতিয়া তেওঁলোকে তেওঁক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছিল আৰু ভয়ত তেওঁ পলাই গৈছিল আৰু তেওঁৰ খুৰাকক (সাক্ষী-২) খবৰ দিছিল। জেৰাত, তেওঁ তেওঁৰ সাক্ষ্যত অবিচল হৈ আছিল আৰু তেওঁ ঘটনাটো দেখা নাছিল বুলি দিয়া পৰামৰ্শটো দৃঢ়ভাৱে অস্বীকাৰ কৰিছিল । তেওঁৰ সাক্ষ্য সাক্ষ্য -৫ আৰু প্ৰত্যক্ষ সাক্ষী- ২ যিয়ে ঘটনাত আঘাত পাইছিল- তেওঁলোকে সমৰ্থন কৰিছে। সাক্ষী ২-ৰ আঘাত সাক্ষী-৪ চিকিৎসকৰ দ্বাৰা প্ৰমাণিত হৈছিল, যিয়ে তেওঁক পৰীক্ষা কৰিছিল । অভিযোগকাৰী পক্ষৰ আন সাক্ষীসকলৰ ক্ষেত্ৰতো একেই প্ৰমাণ পোৱা যায়। অভিযুক্ত-আপীলকাৰী ১ ৰ চোতালৰ পৰা মৃতদেহটো জব্দ কৰা হৈছিল । এই তথ্যৰ লগতে সকলো দিশ বিবেচনা কৰি- এইটো ক'ব নোৱাৰি যে উল্লেখ কৰা প্ৰত্যক্ষদৰ্শী সাক্ষীসকল প্ৰকৃততে প্ৰত্যক্ষদৰ্শী সাক্ষী নহয় আৰু তেওঁলোকক প্ৰত্যক্ষদৰ্শী সজোৱা হৈছে। [অনুচ্ছেদ ৮-১৩] [১৮৬-এ, বি, এফ-এইচ; ১৮৭-এ-বি, চি, ই-এফ]

১.২ যদিও মৃতৰ পুত্ৰ সাক্ষী ১-এ কৈছে যে আপীলকাৰীসকল ঘটনাৰ স্থানত উপস্থিত আছিল, কিন্তু তেওঁলোকৰ বিৰুদ্ধে কেৱল সেইটোৱেই একমাত্ৰ প্ৰমাণ নহয়। আন সাক্ষীৰ সাক্ষ্যতো এইটো দেখা যায় যে আপীলকাৰী সকল অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত আছিল আৰু মৃতকৰ মৃতদেহ অভিযুক্ত-আপীলকাৰী নং. ১ ৰ চোতাললৈ টানি নিয়া হৈছিল । দুয়োজন অভিযুক্ত-আপীলকাৰী বিৰুদ্ধে ধাৰা ৩৪-ৰ সহায়ত ভাৰতীয় দণ্ড বিধিৰ ৩০২ নং ধাৰাৰ অধীনত গুৰুত্বপূৰ্ণ অপৰাধৰ কৰাৰ অভিযোগ উত্থাপন কৰা হৈছিল। ভাৰতীয় দণ্ড বিধি ৩৪ নং ধাৰা প্ৰযোজ্য হোৱাৰ বাবে আইনৰ পূৰ্বৰ চৰ্তবোৰ সন্তুষ্ট হোৱাটো প্ৰয়োজনীয় যে ঘটনাটো এটাতকৈ অধিক ব্যক্তি দ্বাৰা কৰা হ 'ব লাগিব আৰু ব্যক্তিসকলে অপৰাধটো কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ভাগ লোৱা বা কৰাৰ ক্ষেত্ৰত এক উমৈহতীয়া অভিপ্ৰায় থাকিব লাগিব। প্ৰতিজন অভিযুক্তই পৃথক পৃথক কাৰ্য্য কৰাৰ প্ৰয়োজনীয় নাই। এই গোচৰত, আপীলকাৰীসকল ঘটনাৰ দৰ্শক নাছিল। ঘটনা সংঘটিত হোৱা স্থানত অস্ত্ৰ-শস্ত্ৰৰ সৈতে তেওঁলোকৰ উপস্থিতিৰ পৰা

অপৰাধ সংঘটিত হোৱালৈকে আৰু তাৰ পিছত মৃতদেহটো অভিযুক্তৰ আপীলকাৰী নং-১ৰ চোতাললৈ টানি নিয়াৰ পৰা তেওঁলোকৰ অভিপ্ৰায় স্পষ্টভাৱে প্ৰতিফলিত হয়- সেয়েহে, ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৪ প্ৰযোজ্য নহয় বুলি কব নোৱাৰি। [অনুচ্ছেদ চি ১৭] [১৮৭-জি-এইচ; ১৮৮-এ, বি-ডি; ১৮৯-জি; ১৯০-এ]

মোহন সিং বনাম পঞ্জাৱৰ ৰাজ্য ১৯৬২ অতিৰিক্ত এছ. চি. আৰ. ৮৪৮ = এ. আই. আৰ. ১৯৬৩ এছ. চি. ১74; লল্লন ৰায় আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য ২০০২ (৪) অতিৰিক্ত এছ. চি. আৰ. ১৮৮ = ২০০৩ (১) এছ. চি. চি. ২৬৮; গৌডাপ্পা আৰু অন্যান্য বনাম কৰ্ণাটক ৰাজ্য (২০১৩) ৩ এছচিচি ৬৭৫-ৰ ওপৰত নিৰ্ভৰ কৰিছিল।

বৰেন্দ্ৰ কুমাৰ ঘোষ বনাম ৰজা সম্ৰাট এ. আই. আৰ. ১৯২৫ পি. চি. ১-ৰ ওপৰত নিৰ্ভৰ কৰিছিল।

২. সঠিক পৰীক্ষা-নিৰীক্ষা আৰু বিশ্লেষণেৰে নথিত থকা সাক্ষ্য গ্ৰহণ কৰাৰ পিছত, উদ্দেশ্য থকাৰ অস্তিত্বৰ প্ৰমাণ কৰাই গুচৰীয়া পক্ষৰ গোচৰত প্ৰভাৱ পেলাব নোৱাৰে। ইয়াৰ উপৰিও, এইটো সদায় মনত ৰাখিব লাগে যে বিভিন্ন ব্যক্তিৰ মনত বিভিন্ন উদ্দেশ্য কাৰ্যকৰী হ'ব পাৰে আৰু প্ৰতিটো অপৰাধমূলক কাৰ্য্যৰ আঁৰৰ উদ্দেশ্য প্ৰমাণ কৰাটো গুচৰীয়া পক্ষৰ বাবে প্ৰায় অসম্ভৱ হ'ব। সেয়েহে, যেতিয়া আপীলকাৰীসকল মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ লৈ ঘটনাৰ সময়ত উপস্থিত আছিল আৰু মৃতকক আপীলকাৰী নং ১ৰ চোতাললৈ টানি নিয়াৰ ক্ষেত্ৰত অংশগ্ৰহণ কৰিছিল- যিকোনো উদ্দেশ্য থকা প্ৰমাণ কৰাটো সম্পূৰ্ণৰূপে অৰ্থহীন। [অনুচ্ছেদ ২১] [১৯১-চি-ই]

বলৰাম সিং আৰু আন এজন বনাম পঞ্জাব ৰাজ্য এআইআৰ ২০০৩ এছচি ২২১৩; এটলি বনাম উত্তৰ প্ৰদেশ ৰাজ্য এয়াৰ ১৯৫৫ এছ চি ৮০৭ ; আৰু উত্তৰ প্ৰদেশৰ ৰাজ্য ক বনাম কিশনপাল আৰু অন্যান্য ২০০৮ ( ১১ ) এছচিআৰ ১০4৮ = ২০০৮ ( ১৬ ) এছচিচি ৭৩– সহায় লোৱা হয় ।

সহায় লোৱা গোচৰ উল্লেখ কৰা হল:

১৯৬২ চাপ্লি এছচিআৰ ৮৪৮ দফা ১4

২০০২ (৪) চাপ্লি এছচিআৰ ১৮৮ দফা ১৫

এআইআৰ ১৯২৫ পিচি ১ দফা ১৫

(২০১৩) ৩ এছ চি চি ৬৭৫২ দফা ১৬

এআইআৰ ২০০৩ এছ চি ২২১৩ দফা ১৮

এআইআৰ ১৯৫৫ এছ চি ৮০৭ দফা ১৯

২০০৮ (১১) এছচিআৰ ১০4৮ পেৰা ২০ চন

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ:  ফৌজদাৰী আপীল নং ১১৩০/ ২০১০।

অসমৰ গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ১০৬/২০০৫ অত ৩০.০৮.২০০৭ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ।

আপীলকাৰীসকলৰ হৈ অধিবক্তা - শ্ৰী কিৰণ ভৰদ্বাজ (এ. চি.) ।

প্ৰতিপক্ষৰ হৈ অধিবক্তা-  ভাৰ্তিকা এছ. ৰালিয়া (কৰ্পৰেট ল গ্ৰুপ)।

আদালতৰ ৰায় প্ৰদান কৰে-

**ন্যায়াধীশ দীপক মিশ্ৰ –**

১)গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ১০৬/২০০৫ অত ৩০.০৮.২০০৭ তাৰিখে প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশেৰে আপীলকাৰীসকল আৰু এজনে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪ ৰ অধীনত অপৰাধৰ কৰাৰ বাবে অসমৰ কৰিমগঞ্জ জিলাৰ সত্ৰ ন্যায়ালয়ে গোচৰ নং ১৩৫/২০০৪ ত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ আৰু ৫০০০/- টকাকৈ জৰিমনা, জৰিমনা পৰিশোধ নকৰিলে প্ৰত্যেককে অতিৰিক্ত এক বছৰৰ কাৰাদণ্ড, বিহি দিয়া শাস্তিৰ ৰায় বাহাল ৰাখে (মূল অভিযুক্ত ক্ৰমে ২ আৰু ১ নং)  আৰু আপীলকাৰীসকলে গৌহাটী উচ্চ ন্যায়ালযৰ উক্ত বিবাদিত ৰায় আৰু আদেশেত অসন্তুষ্ট হৈ এই আপীল দাখিল কৰিছে।

২) ২৯.৯.২০০৩ তাৰিখে পুৱা মটিলাল দাস নামৰ এজন চল্লিশ বছৰীয়া যুৱকক মাৰাত্মক অস্ত্ৰৰে শৰীৰৰ বিভিন্ন অংশত নৃশংসভাৱে কাটি হত্যা কৰা আৰু তেওঁৰ দ্বাৰা হোৱা আঘাতৰ সৈতে জড়িত গোচৰটো আছিল যথেষ্ট গুৰুতৰ প্ৰকৃতিৰ। ঘটনাৰ তাৰিখে ৰাতিপুৱা প্ৰায় ৮.৩০ বজাত মৃতক মতিলাল দাস নিজৰ দোকানৰ পৰা ঘৰলৈ আহি আছিল আৰু সেই সময়ত অভিযুক্ত ব্যক্তি ক্ৰমে-  ৰাজন দাস, সাধন দাস, মদন দাস, বীৰেন্দ্ৰ দাস, জৰা দাস , বাপন দাস, লক্ষ্মী ৰাণী ওৰফে লতাশি ৰাণীয়ে ভুজালি, দাও আদি লৈ বীৰেন্দ্ৰৰ ঘৰৰ সন্মুখত মটিলালক আক্ৰমণ কৰে আৰু লগে লগে ৰাজন দাসে পিছফালৰ পৰা মটিলালৰ মূৰত ভোজালীৰ দ্বাৰা আঘাত কৰে। আক্ৰমণৰ পিছত মৃতক যুৱকজনে চিঞৰ-বাখৰ কৰি পথত বাগৰি পৰে। ইয়াৰ পিছত, সকলো অভিযুক্ত ব্যক্তিয়ে তেওঁক কাটে যাৰ ফলত তেওঁ দেহৰ বহুত ঠাইত আঘাত পায় আৰু থিতাতে মৃত্যু হয়। মতিলালৰ চিঞৰ শুনি নৃপেন্দ্ৰ দাস আৰু সঞ্জন দাস সেই স্থানলৈ অহাত সাধন দাসে সঞ্জন দাসক আক্ৰমণ কৰিবলৈ চেষ্টা কৰে, কিন্তু তেওঁ কোনোমতে সেই স্থানৰ পৰা আঁতৰি পলাই যাবলৈ সক্ষম হয়। অৱশ্যে তেওঁ নৃপেন্দ্ৰ

দাসক দাওৰে আঘাত কৰে যাৰ ফলত বাওঁহাতৰ আঙুলিত আঘাত পায় । ইয়াৰ পিছতে অভিযুক্ত বীৰেন্দ্ৰ আৰু বাকী আচামীসকলে মতিলালৰ মৃতদেহটো বীৰেন্দ্ৰৰ চোতাললৈ টানি লৈ যায় আৰু তাতেই মৃতদেহটোত কেৰাটাও ঘাপ মাৰে যাৰ ফলত কিছুমান অংগ কটা যায়। মৃত মতিলালৰ পুত্ৰ সঞ্জন দাসে কালিগঞ্জ ৱাচ পোষ্টৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত এজাহাৰ দাখিল কৰে যাৰ ভিত্তিত ২৯.৯.২০০৩ তাৰিখে পুৱা প্ৰায় ১০.০০ বজাত সাধাৰণ পঞ্জীত ৪২৪ নং দৰজ দি গোচৰ পঞ্জীয়ন কৰিবলৈ এজাহাৰখন কৰিমগঞ্জ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ প্ৰেৰণ কৰা হয় । সেই অনুসৰি ১৪৭, ১৪৮, ১৪৯, ৩৪১, ৩২৪, ৩০৭ আৰু ৩০২ আইপিচি ধাৰাত শাস্তিযোগ্য অপৰাধৰ বাবে ৩১4/২০০৩ নং গোচৰ পঞ্জীয়ন কৰা হয় । গোচৰ পঞ্জীয়ন কৰাৰ পিছত তদন্তকাৰী বিষয়াই মৃত মতিলালৰ মৃতদেহটোৰ চুৰতহাল কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে, প্ৰায় ২ ফুট দৈৰ্ঘ্যৰ এখন দাও আৰু ১৫ ইঞ্চি দৈৰ্ঘ্যৰ ভোজালী প্ৰদৰ্শক ৪ আৰু ৬ ৰ জৰিয়তে সাক্ষীৰ উপস্থিতিত জব্দ কৰে । দুয়োখনতে তেজেৰ দাগ আছিল। আহত নৃপেন্দ্ৰ দাসক পৰীক্ষা আৰু চিকিৎসাৰ বাবে কৰিমগঞ্জ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ফৌজদাৰী কাৰ্যবিধিৰ ১৬১ নং ধাৰাত সাক্ষীৰ বক্তব্য লিপিবদ্ধ কৰাৰ পিছত অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয় আৰু উক্ত অভিযোগনামাত সাধন দাস , জৰা দাস আৰু জ্যোৎস্না ৰাণীক পলাতক হিচাপে দেখুওৱা হয় । কৰিমগঞ্জৰ বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশে অভিযুক্ত ৰাজন দাস, মদন দাস আৰু বাপন দাসক চিকিৎসাৰ প্ৰতিবেদনৰ ভিত্তিত কিশোৰ বুলি জানিব পাৰি তেওঁলোকক কৈশোৰ ন্যায় বোৰ্ডলৈ প্ৰেৰণ কৰা হয় আৰু বাকী আচামী সকলৰ বাবে গোচৰটো সত্ৰ আদালতলৈ প্ৰেৰণ কৰে । পিছত বিদ্বান সত্ৰ ন্যায়াধীশে গোচৰটোৰ বিষয়বস্তু সম্পূৰ্ণৰূপে বিবেচনা কৰি আচামী বীৰেন্দ্ৰ দাস, লতাচিল দাস আৰু জাৰা দাসৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ৩০২ ধাৰাৰ লগতে ৩৪ ধাৰাত অভিযোগ গঠন কৰে।

৩) আচামী সকলে নিৰ্দোষি আৰু মিছাকে গোচৰত জড়িত কৰা বুলি দাবি কৰাৰ লগতে আৰু বিচাৰৰ সন্মুখীন হবলৈ মান্তি হৈছিল।

৪) বিচাৰত গোচৰীয়া পক্ষই অভিযোগ প্ৰমাণ কৰিবলৈ ১১ জন সাক্ষীক পৰীক্ষা কৰে আৰু সাক্ষীসমুহ হল - সাক্ষী-১ মৃতক মাটিলালৰ পুত্ৰ সঞ্জন দাস, সাক্ষী- ২ নৃপেন্দ্ৰ দাস, এজন মৃতকৰ সম্পৰ্কীয় ব্যক্তি, সাক্ষী-৩ ড° ৰবীন্দ্ৰ নাথ দাস যিয়ে মৃতকৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰে, সাক্ষী-৬ মৃতকৰ চুবুৰীয়া গীতা দাস, সাক্ষী- ৭ একে গাঁৱৰ বাসিন্দা বিভাষ বৰ্ধন, সাক্ষী-৮ ৰিংকু ৰাণী, সাক্ষী- ৯ হৰেণ ঘোষ, সাক্ষী- ১০ যিয়ে ঘটনাৰ এটা অংশ দেখিছিল আৰু সাক্ষী- ১১ তদন্তকাৰী বিষয়া প্ৰভাত শইকীয়া । মৌখিক সাক্ষ্যৰ উপৰিও গোচৰীয়া পক্ষই বহু

সংখ্যক নথি-পত্ৰৰ ওপৰত আস্থা প্ৰকাশ কৰিছিল। আচামী সকলে কোনো সাক্ষী পৰীক্ষা কৰোৱা নাছিল ।

৫) নথিত থকা সাক্ষ্য-প্ৰমাণসমূহ বিবেচনা কৰি বিদ্বান সত্ৰ ন্যায়াধীশে আচামী-আপিলকাৰীসকলক দোষী বুলি বিবেচনা কৰি শাস্তি প্ৰদান কৰে। দোষী সাব্যস্ত হোৱা আচামী দুজনে দাখিল কৰি আপীলত উচ্চ ন্যায়ালয়ে ইয়াত পূৰ্বতে উল্লেখ কৰা দোষী সাব্যস্ত আৰু শাস্তি নিশ্চিত কৰে ।

৬) আপীলৰ সমৰ্থনত আপীলকাৰীৰ বিদ্বান অধিবক্তা শ্ৰীমতী কিৰণ ভৰদ্বাজে দাবী কৰিছে যে উচ্চ ন্যায়ালয়ে প্ৰত্যক্ষদৰ্শী হিচাপে উল্লেখ কৰা প্ৰধান সাক্ষীসকলৰ প্ৰমাণ গ্ৰহণ কৰাত ভুল কৰিছে, যদিও প্ৰত্যক্ষদৰ্শীসকল কিছু সময়ৰ পিছত ঘটনাস্থলীত উপস্থিত হৈছিল। তেখেতে আহ্বান জনাইছে যে হত্যাকাণ্ডৰ সৈতে জড়িত নিষ্ঠুৰতাৰ বাবে আপীল আদালতখন আৱেগৰ দ্বাৰা প্ৰভাবিত হৈছে আৰু সেয়েহে, ফৌজদাৰী আইনৰ প্ৰয়োজনীয় দৃষ্টিভংগীটো ত্ৰুটিপূৰ্ণ হৈছে আৰু ইয়াৰ ফলত অভিযুক্ত হোৱাটো প্ৰয়োজনীয় বুলি নিশ্চিত কৰা হৈছে। তেওঁ আৰু কয় যে ভাৰতীয় দণ্ড বিধি ৰ ধাৰা ৩৪ কোনো ধৰণে প্ৰযোজ্য নহয় কিয়নো উপস্থিত আবেদনকাৰীসকলৰ ওপৰত কোনো প্ৰকাশ্য কাৰ্য্যৰ অভিযোগ উত্থাপন কৰা হোৱা নাই আৰু তেওঁলোকৰ কোনো উমৈহতীয়া অভিপ্ৰায় আছিল বুলি দেখুৱাবলৈ নথিত একো উল্লেখ নাই । তেওঁ যুক্তি দেখুৱাইছে যে যদিও গোচৰীয়া পক্ষই অভিযুক্ত ব্যক্তিসকলৰ দ্বাৰা এনে এক ভয়ংকৰ অপৰাধ সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে, তথাপিও কোনো উদ্দেশ্যৰ কথা উল্লেখ কৰা হোৱা নাই বা আনকি উদ্দেশ্য থকাৰ সন্ধান কৰাৰ চেষ্টাও কৰা হোৱা নাই আৰু ইয়াৰ পৰা অনুমান কৰিব পাৰি যে এই অভিযোগ সন্দেহ বা অনুমানৰ ওপৰত আধাৰিত ।

৭) ৰাজ্য চৰকাৰৰ হৈ বিদ্বান অধিবক্তা শ্ৰীমতী ভাৰ্তিকা এছ. ৱালিয়াই ইয়াৰ বিপৰীতে দাবী কৰিছে যে হত্যাকাণ্ডটোক নিষ্ঠুৰ বুলি বৰ্ণনা কৰিলেও বিচাৰ আদালতৰ ন্যায়াধীশ বা উচ্চ ন্যায়ালয়ে কোনো পূৰ্বনিৰ্ধাৰিত সিদ্ধান্ত লৈ ৰায় দিয়াৰ ইংগিত পোৱা নাযায়। দুয়োখন আদালতে প্ৰমাণসমূহ ভালদৰে পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হয় যে অভিযুক্তসকল দোষী। বিদ্বান পৰামৰ্শদাতা দাবী কৰিব যে ঘটনাৰ স্থানলৈ অস্ত্ৰ-শস্ত্ৰ লৈ যোৱা আৰু আবেদনকাৰীসকলৰ বিৰুদ্ধে প্ৰমাণ হিচাপে অনা অন্যান্য কাৰ্যকলাপে দণ্ডবিধিৰ ৩৪ নং ধাৰাৰ অধীনত ধাৰণা কৰা উমৈহতীয়া অভিপ্ৰায় থকাৰ তথ্য স্পষ্টভাৱে প্ৰতিষ্ঠা কৰিছে। অপৰাধীসকলৰ কোনো উদ্দেশ্য থকাটো প্ৰতিষ্ঠা কৰা হোৱা নাই বুলি অনুমান কৰা স্থিতি সম্পূৰ্ণৰূপে অপ্ৰাসংগিক আৰু প্ৰত্যাখ্যানৰ যোগ্য কিয়নো আচামী-আপীলকাৰীসকলে অপৰাধ সংঘটিত কৰাটো দেখুৱাবলৈ পৰ্যাপ্ত প্ৰত্যক্ষ প্ৰমাণ আছে।

৮) আমি পক্ষসমূহৰ বিদ্বান অধিবক্তাসকলৰ যুক্তি বিবেচনা কৰাৰ আগতে এইটো কোৰাটো অতি প্ৰয়োজনীয় যে মৃত মতিলাল দাসৰ মৃত্যু যে নৰহত্যা প্ৰকৃতিৰ আছিল সেই কথাত কোনো বিতৰ্ক নাই। মতিলাল দাসৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰা চিকিৎসকজনে তলত উল্লেখ কৰা আঘাত দেখা পাইছিল : -

(১) সোঁ ভৰিখন সম্পূৰ্ণৰূপে কটা ।

(২) সোঁ তৰ্জনী আঙুলিটো হাতৰ পৰা সম্পূৰ্ণৰূপে পৃথক। আন আঙুলিবোৰ আংশিকভাৱে কটা।

(৩) সোঁ হাতৰ মণিবন্ধৰ গাঁঠিৰ হাড় ভাঙি যোৱা। সোঁ হাতৰ মণিবন্ধৰ গাঁঠিৰ ওপৰত হাড় ফাটি যোৱা প্ৰায় ৪" x ৩" জোখৰ গভীৰ আঘাত ।

(৪) সোঁফালৰ ফিমাৰ ভঙা ।

(৫) কপালৰ ওপৰত প্ৰায় ১" x ১/২" x ১/২" জোখৰ কাণৰ ওপৰলৈ বিস্তৃত মূৰৰ চাৰিওফালে কাটি যোৱা আঘাত ।

(৬) বাওঁ উৰুৰ ওপৰৰ অংশত ৩" x ১.৫ "x ১" জোখৰ গভীৰ কটা আঘাত ।

৯) উক্ত সাক্ষীগৰাকীয়ে মত প্ৰকাশ কৰিছে যে মৃতকৰ মৃত্যু আঘাত আৰু ৰক্তক্ষৰণৰ বাবে হৈছিল আৰু সকলো আঘাত মৃত্যুৰ পূৰ্বে হোৱা আঘাত আছিল।

১০) মৃতকৰ আঘাতৰ প্ৰতি লক্ষ্য ৰাখি গোচৰীয়া পক্ষই অপৰাধটোত আচামী-আপীলকাৰীসকলৰ সম্পৰ্ক কেনেদৰে প্ৰতিষ্ঠা কৰিছে সেইটো চাব লাগিব। মৃতকৰ পুত্ৰ সাক্ষী ১-য়ে স্পষ্টভাৱে উল্লেখ কৰিছে যে তেওঁৰ দেউতাকক আঘাত কৰা হৈছিল আৰু তেওঁ পৰি গৈছিল। তেওঁ তাত উপস্থিত থকা আপীলকাৰীসকলৰ নাম উল্লেখ কৰিছে। তেওঁৰ সাক্ষ্যত এইটো প্ৰকাশ পাইছে যে যেতিয়া তেওঁ তেওঁৰ দেউতাকৰ ওচৰলৈ যাবলৈ চেষ্টা কৰিছিল, তেতিয়া আচামী-আপীলকাৰীসকলে তেওঁক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছিল আৰু ভয়ত তেওঁ পলাই গৈছিল আৰু তেওঁৰ খুৰাক নৃপেন্দ্ৰক (সাক্ষী-২) খবৰ দিছিল। জেৰাত, তেওঁ তেওঁৰ সাক্ষ্যত অবিচল হৈ আছিল আৰু তেওঁ ঘটনাটো দেখা নাছিল বুলি দিয়া পৰামৰ্শটো দৃঢ়ভাৱে অস্বীকাৰ কৰিছিল ।

১১) সাক্ষী ২-য়ে সাক্ষ্য দিছে যে তেওঁ সাধন, মদন আৰু ৰাজনক মৃতকক আক্ৰমণ কৰা দেখিছিল আৰু যেতিয়া তেওঁ বাধা দিবলৈ চেষ্টা কৰিছিল, তেতিয়া তেওঁকো আক্ৰমণ কৰা হৈছিল আৰু তেওঁ আঙুলিত আঘাত পাইছিল। তেওঁৰ আঙুলিৰ আঘাত সাক্ষী- ৪ ডাঃ প্ৰদীপ দেয়ে নিশ্চিত কৰিছে। তেওঁ এইটোও প্ৰকাশ কৰিছে যে মৃতকৰ অত্যধিক ৰক্তক্ষৰণ হৈছিল আৰু তেওঁক বীৰেন্দ্ৰৰ ঘৰৰ চোতাললৈ টানি নিয়া হৈছিল।

১২) সাক্ষী-৫, নমিতা ৰাণীয়ে সাক্ষ্য দিছে যে সাধন, মদন, ৰাজন আৰু বাপনে মৃতক মাটিলালক আক্রমণ কৰিছিল আৰু বীৰেন্দ্র, লাটানী, জ্যোৎস্না আৰু জাৰাই মৃতদেহটো বেৰৰ কাষলৈ টানি লৈ গৈছিল। আপীলকাৰীসকল মাৰাত্মক অস্ত্র-শস্ত্রেৰে সজ্জিত আছিল বুলি তেওঁৰ সাক্ষ্যত প্রকাশ পাইছে। জেৰাত, তেওঁৰ স্বামী মাটিলাল দাস আৰু বীৰেন্দ্রৰ মাজত আনটো ফালে পঞ্চায়ত কোনো পথৰ বিষয়ে শত্রুতাৰ থকা সম্পর্কে কিছুমান পৰামর্শ দিয়া হৈছিল যদিও তেওঁ সেইবোৰ স্বীকাৰ কৰিছে, তথাপিও ইয়াক তেওঁৰ সাক্ষ্যৰ ভিত্তি নাই বুলি গণ্য কৰিব নোৱাৰি যিটো সম্পূর্ণৰূপে অটল হৈ আছে। অভিযোগকাৰী পক্ষৰ আন সাক্ষীসকলৰ ক্ষেত্রতো একেই প্রমাণ পোৱা যায়।

১৩) এই দিশবোৰৰ লগতে বীৰেন্দ্রৰ চোতালৰ পৰা মৃতদেহটো জব্দ কৰা হৈছিল বুলি বিবেচনা কৰি এইটো ক'ব নোৱাৰি যে উল্লেখ কৰা প্রত্যক্ষদর্শী সাক্ষীসকল প্রকৃততে প্রত্যক্ষদর্শী সাক্ষী নহয় আৰু তেওঁলোকক প্রত্যক্ষদর্শী সজোৱা হৈছে।

১৪) পৰৱৰ্তী যুক্তিটো হ'ল যে আপীলকাৰীসকলৰ বিৰুদ্ধে কোনো প্রকাশ্য কাৰ্য্যৰ অভিযোগ উত্থাপন হোৱা নাই আৰু তেওঁলোকৰ উপস্থিতিয়েই তেওঁলোকৰ সহযোগিতা প্রতিষ্ঠা কৰিব নোৱাৰে। আপীলকাৰীৰ বিদ্বান অধিবক্তাই মৃতকৰ পুত্র সাক্ষী-১ৰ সাক্ষ্যৰ প্রতি আমাৰ দৃষ্টি আকর্ষণ কৰিছে, যিয়ে উল্লেখ কৰিছে যে আপীলকাৰীসকল ঘটনা সংঘটিত হোৱা স্থানত উপস্থিত আছিল। কিন্তু তেওঁলোকৰ বিৰুদ্ধে সেইটোৱেই একমাত্র প্রমাণ নহয়। ইতিমধ্যে আমি ইয়াৰ ওপৰত আলোচনা কৰা আন সাক্ষীৰ সাক্ষ্যতো দেখা যায় যে আপীলকাৰীসকলে অস্ত্র-শস্ত্র লৈ মৃতকৰ মৃতদেহ টানি বীৰেন্দ্রৰ চোতাললৈ লৈ গৈছিল। উক্ত কথাখিনিৰ পৰাই প্রশ্ন উত্থাপন হয় যে উমৈহতীয়া উদ্দেশ্য থকাটো উলিয়াব পাৰি নে নোৱাৰি। শ্রীমতী ভৰদ্বাজে প্রকৃততে যিটো যুক্তি দিছে সেয়া হ'ল আপীলকাৰীসকলে মৃতকৰ ওপৰত কোনো আঘাত কৰা নাছিল। ওপৰত উল্লেখ কৰা বিতর্কটো সম্পূর্ণৰূপে ভিত্তিহীন বুলি কোৱাৰ কোনো প্রয়োজনীয় নাই। দুয়োজন অভিযুক্তৰ বিৰুদ্ধে দণ্ডবিধিৰ ৩৪ ধাৰাৰ লগতে ৩০২ ধাৰাত গুৰুত্বপূর্ণ অপৰাধৰ কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে। দণ্ডবিধিৰ ৩৪ নং ধাৰাটো প্রয়োগ কৰিবলৈ যিবোৰ চৰ্ত পূৰণ কৰাটো প্রয়োজনীয় সেইবোৰ হ'ল এই কাৰ্য্যটো এজনতকৈ অধিক ব্যক্তিয়ে কৰা হ'ব লাগিব আৰু উক্ত ব্যক্তিসকলে অপৰাধটো কার্যকৰী কৰাৰ ক্ষেত্রত হয় এক উমৈহতীয়া উদ্দেশ্য থাকিব লাগিব। অভিযুক্ত সকলৰ প্রত্যেকে পৃথক পৃথক কাৰ্য্যৰ প্রয়োজন নাই। মোহন সিং বনাম পঞ্জাব ৰাজ্য[১] গোচৰত সংবিধান বিচাৰপীঠে দণ্ডবিধিৰ ধাৰা ৩৪ ৰ ধাৰণাটোৰ বিশ্লেষণ কৰোতে এইদৰে ৰায় দিছে:

"ধাৰা ১৪৯ ৰ দৰে দণ্ডবিধিৰ ধাৰা ৩৪ য়েও গঠনমূলক অপৰাধৰ দায়বদ্ধতাৰ গোচৰৰ বিষয়ে আলোচনা কৰে। ইয়াত উল্লেখ আছে যে য'ত অপৰাধমূলক কাৰ্য্য কৰা হয়।" ধাৰা ৩৪ৰ দ্বাৰা নিৰ্ধাৰিত অপৰাধমূলক দায়বদ্ধতাৰ অপৰিহাৰ্য উপাদানটো হ'ল উমৈহতীয়া উদ্দেশ্য। যেনেকৈ একেটা উমৈহতীয়া উদ্দেশ্যৰে একত্ৰিত হোৱা জনতা বেআইনী জনসমাৰেশ গঠনৰ বৈশিষ্ট্যসমূহৰ ভিতৰত এটা, ঠিক তেনেদৰে একেটা উদ্দেশ্যৰে একত্ৰিত হোৱা জনতা ধাৰা ৩৪ৰ বৈশিষ্ট্যসমূহৰ ভিতৰত এটা। "

১৫) লল্লন ৰায় আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য গোচৰত, বৰেন্দ্ৰ কুমাৰ ঘোষ বনাম ৰজা সম্ৰাট আৰু মোহন সিং (উপৰোক্ত) নিৰ্ধাৰিত নিৰ্দেশৰ ওপৰত নিৰ্ভৰ কৰি এইটো ৰায় দিয়া হৈছে যে ধাৰা ৩৪-ৰ সাৰাংশ হৈছে কোনো বিশেষ ফলাফল লাভ কৰিবলৈ অপৰাধমূলক কাৰ্য্যত অংশগ্ৰহণ কৰা ব্যক্তিসকলৰ একেটা সময়ৰ ঐক্যমত।

১৬) শেহতীয়াকৈ গৌডাপ্পা আৰু অন্যান্য বনাম কৰ্ণাটক ৰাজ্যৰ গোচৰত আদালতে এই নীতি পুনৰবাৰ উল্লেখ কৰি কয় যে দণ্ডবিধিৰ ৩৪ নং ধাৰাত অপৰাধমূলক কাৰ্য্য কৰাৰ ক্ষেত্ৰত যৌথ দায়বদ্ধতাৰ নীতি নিৰ্ধাৰণ কৰা হৈছে আৰু সেই দায়বদ্ধতাৰ আভাস উমৈহতীয়া উমৈহতীয়া অভিপ্ৰায়ত পোৱা যায়, যাৰ ফলত এনে উদ্দেশ্যক কাৰ্যত পৰিণত কৰাৰ বাবে আচামীসকলে অপৰাধমূলক কাৰ্য্য সংঘটিত কৰে। ইয়াত আৰু কোৱা হৈছে যে দণ্ডবিধিৰ ৩৪ নং ধাৰাত অন্তৰ্নিহিত নীতিটো কেৱল সাক্ষ্যৰ নিয়মহে, কিন্তু ই কোনো বস্তুনিষ্ঠ অপৰাধৰ সৃষ্টি নকৰে আৰু, সেয়েহে, যদি সেই কাৰ্য্যটো কোনো উমৈহতীয়া উদ্দেশ্যৰ ফল হয়, তেন্তে প্ৰতিজন ব্যক্তিয়েই কৰা কাৰ্যক উমৈহতীয়া অভিপ্ৰায়েৰে কৰা কাৰ্য বুলি তেওঁক সংঘটিত অপৰাধৰ বাবে দায়ী কৰি তুলিব, উক্ত অপৰাধত তেওঁৰ ভূমিকা যিয়েই নহওক কিয়। উমৈহতীয়া উদ্দেশ্য থকাটো কেনেকৈ বিচাৰি উলিয়াব পাৰি সেই প্ৰশ্ন উত্থাপন কৰি আদালতে মতামত দিছিল যে ঘটনা সংঘটিত হোৱাৰ কিছু সময়ৰ আগত আৰু পিছত অভিযুক্তৰ আচৰণ, অপৰাধটো কি দৃঢ়তা আৰু চিন্তাৰে সংঘটিত কৰা হৈছে, অভিযুক্তই কঢ়িয়াই নিয়া অস্ত্ৰ আৰু আঘাতৰ প্ৰকৃতি ইয়াৰে এটা বা ততোধিক গোচৰত প্ৰাসংগিক হব। উমৈহতীয়া উদ্দেশ্যক যিবোৰ পৰিস্থিতিৰ পৰা বিচাৰি উলিয়াব পাৰি তাৰ ওপৰতো গুৰুত্ব দিয়া হৈছে।

১৭) আমি আগতে উল্লেখ কৰাৰ দৰে এই গোচৰত আপীলকাৰীসকল ঘটনা চাই থকা নাছিল যদিও তেনেদৰে যুক্তি দিয়া দেখা যায়। ঘটনা সংঘটিত হোৱা স্থানত অস্ত্ৰ-শস্ত্ৰৰ সৈতে তেওঁলোকৰ উপস্থিতিৰ পৰা অপৰাধ সংঘটিত হোৱালৈকে আৰু তাৰ পিছত মৃতদেহটো চোতাললৈ টানি নিয়াৰ পৰা তেওঁলোকৰ অভিপ্ৰায় স্পষ্টভাৱে প্ৰতিফলিত হয়। সেয়েহে, আমাৰ

বিবেচনা কৰা মতে, ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৪ প্ৰয়োগ নহয় বুলি যুক্তি দিয়াটো গ্ৰহণযোগ্য নহয়।

১৮)দোষী সাব্যস্ত হোৱাৰ বিৰুদ্ধে চূড়ান্ত যুক্তিটো হ'ল যে গোচৰীয়া পক্ষই কোনো উদ্দেশ্য থকাটো প্ৰমাণ কৰাত ব্যৰ্থ হ'ল। প্ৰতিপক্ষই যুক্তি দিছিল যে কিছুমান সাক্ষী আৰু মৃতকৰ মাজত থকা শত্ৰুতাক বিবেচনা কৰিলে এই অভিযোগ ভুৱা বুলি ভৱাৰ কাৰণ থাকিব পাৰে। কিন্তু আমি ইতিমধ্যে নথিত থকা প্ৰমাণবোৰ বিশ্লেষণ কৰিছো কিন্তু ইয়াক খাৰিজ কৰাৰ কোনো কাৰণ বিচাৰি পোৱা নাই। বলৰাম সিং আৰু আন এজন বনাম পঞ্জাৱ ৰাজ্যৰ গোচৰত স্পষ্টকৈ কোৱা হৈছিল যে যদিহে এই ঘটনাৰ গোচৰীয় পক্ষৰ যুক্তি মানি লোৱা হয় তেন্তে কোনো উদ্দেশ্য থকা বা নথকাই বা উদ্দেশ্যৰ সবলতাই গোচৰীয়া পক্ষৰ গোচৰটো দুৰ্বল নকৰে।

১৯) এই সন্দৰ্ভত, আমি এটলি বনাম উত্তৰ প্ৰদেশ ৰাজ্য গোচৰ ৰায়ৰ কেইটামান শাৰী উল্লেখ কৰিব পাৰোঁ, য'ত এনেদৰে প্ৰকাশ কৰা হৈছেঃ- "এইটো সঁচা যে য'ত দোষীৰ উদ্দেশ্য থকাৰ স্পষ্ট প্ৰমাণ থাকে, যিয়ে অভিযুক্তজন দোষী বুলি আদালতৰ সিদ্ধান্তক অতিৰিক্ত সমৰ্থন প্ৰদান কৰে, কিন্তু উদ্দেশ্যৰ থকাৰ স্পষ্ট প্ৰমাণ নথকাটোয়ে বিপৰীত সিদ্ধান্তত উপনীত হোৱাটো প্ৰয়োজনীয় নহয়।"

২০) উত্তৰ প্ৰদেশৰ ৰাজ্য বনাম কিশনপাল আৰু অন্যান্যৰ গোচৰত উদ্দেশ্যৰ থকা বা নথকা বিষয়ৰ সৈতে মোকাবিলা কৰাৰ সময়ত দুজনীয়া বিচাৰপীঠে এইদৰে কৈছিল: -

"৩৯. উদ্দেশ্য থকা বা নথকা বিষয়টো এনে এক পৰিস্থিতি হিচাপে বিবেচনা কৰিব পাৰি যি গোচৰৰ সাক্ষ্য-প্ৰমাণ মূল্যায়নৰ বাবে প্ৰাসংগিক হয় কিন্তু যদি গোচৰৰ সাক্ষ্য-প্ৰমাণ স্পষ্ট আৰু দ্ব্যৰ্থহীন হয় আৰু পৰিস্থিতিয়ে অভিযুক্তই অপৰাধ কৰাটো প্ৰমাণ কৰে, তেন্তে ইয়াৰ ফলত গোচৰ দুৰ্বল নহয়। আইনত এইটোও নিৰ্ধাৰিত হৈ আছে যে চাক্ষুষ সাক্ষীৰ প্ৰত্যক্ষ সাক্ষ্য-প্ৰমাণ থকা গোচৰত উদ্দেশ্য থকা বা নথকা বিষয়টোৰ বিশেষ গুৰুত্ব নাথাকে, কিয়নো যদিও অভিযুক্তসকলৰ কোনো নিৰ্দিষ্ট অপৰাধ কৰাৰ ক্ষেত্ৰত এক অতি শক্তিশালী উদ্দেশ্য থাকিব পাৰে, তথাপিও যদি চাক্ষুষ সাক্ষীৰ সাক্ষ্য বিশ্বাসযোগ্য নহয় তেন্তে তেওঁলোকক অভিযুক্ত কৰিব নোৱাৰি। একেদৰে, যদিও কোনো স্পষ্ট উদ্দেশ্য নাথাকে কিন্তু যদি চাক্ষুষ সাক্ষীৰ সাক্ষ্য স্পষ্ট আৰু নিৰ্ভৰযোগ্য হয়, উদ্দেশ্য থকা বা নথকাই অভিযুক্তক দোষী সাব্যস্ত কৰাৰ পথত বাধা দিব নোৱাৰে। "

২১) গতিকে সঠিক পৰীক্ষা-নিৰীক্ষা আৰু বিশ্লেষণেৰে নথিত থকা প্ৰত্যক্ষ সাক্ষ্য গ্ৰহণ কৰাৰ পিছত কোনো উদ্দেশ্য থকা বা নথকাই বা উদ্দেশ্যৰ সবলতাই গোচৰীয়া পক্ষৰ গোচৰত প্ৰভাৱ পেলাব নোৱাৰে। ইয়াৰ উপৰিও, এইটো সদায় মনত ৰাখিব লাগে যে বিভিন্ন ব্যক্তিৰ

মনত বিভিন্ন উদ্দেশ্য থাকিব পাৰে কাৰণ মানুহে মনৰ বহুতো কথা লুকুৱাই ৰখাৰ সম্ভাৱনা থাকে যিটো হ'ল মানৱ প্ৰকৃতিৰ বাস্তৱিক বৈচিত্ৰ্য আৰু প্ৰতিটো অপৰাধমূলক কাৰ্য্যৰ আঁৰৰ উদ্দেশ্য প্ৰমাণ কৰাটো গুচৰীয়া পক্ষৰ বাবে প্ৰায় অসম্ভৱ হয়। সেয়েহে, যিহেতু আপীলকাৰীসকল মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ লৈ ঘটনাৰ সময়ত উপস্থিত আছিল আৰু মৃতকক আপীলকাৰী নং১ৰ ঘৰৰ চোতাললৈ টানি নিওতো অংশগ্ৰহণ কৰিছিল, তেনে ক্ষেত্ৰত যিকোনো উদ্দেশ্য থকা প্ৰমাণ কৰাটো সম্পূৰ্ণৰূপে অৰ্থহীন।

২২) গতিকে আপীলকাৰী সকলে তেওঁলোকৰ নিৰ্দোষিতা প্ৰমাণ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই আপীল খাৰিজ কৰা হয়।

আপীল খাৰিজ কৰা হল ।

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".
("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")